**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-11-2024 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে অনুষ্ঠিত হ'বলগীয়া উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই উপ নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অন্যান্য মন্ত্ৰী, সাংসদ আৰু বিধায়কে এন ডি এৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈয়েও দলীয় প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলাই আছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিৰ পৰা ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। চিদলী বিধানসভা সমষ্টিত কালি বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কালি দলীয় প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰী মহিলাৰীয়ে সমষ্টিটোত বি পি এফৰ প্ৰাৰ্থীগৰাকী বহু ভোটত জয়ী হ'ব বুলি দাবী কৰিছে।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে পথ দুৰ্ঘটনা আৰু ইয়াৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ বাবে পথ নিৰ্মাণৰ সময়ত সুৰক্ষাত অধিক গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য কৰিছে। ছত্তিশগড়ৰ ৰায়পুৰত কালি সন্ধিয়া ভাৰতীয় পথ মহাসভাৰ ৮৩ সংখ্যক বাৰ্ষিক সত্ৰ উদ্বোধন শ্ৰীগাডকাৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পথ আৰু যান বাহন অভিযান্ত্ৰিক ক্ষেত্ৰৰ আঁসোৱাহসমূহ আঁতৰ কৰোৱাৰ উদ্দেশ্যে প্ৰয়াস চলাই থকা হৈছে যদিও প্ৰকল্প প্ৰতিবেদনৰ ক্ৰুটিৰ বাবে এই ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। কালিৰ অনুষ্ঠানত উপস্থিত থকা বিষয়া আৰু অভিযন্তাসকলক উদ্দেশি মন্ত্ৰীগৰাকীয়ে কয় যে, বিতং প্ৰকল্প প্ৰতিবেদন সঠিকভাৱে পৰীক্ষা নকৰাকৈ কোনো নিবিদা জাৰি কৰা উচিত নহয়। তেওঁ কয় যে, পথ আভিযান্ত্ৰিক দিশৰ উন্নীতকৰণে পথ দুৰ্ঘটনা ৰোধ কৰাৰ লগতে জনসাধাৰণৰ জীৱন ৰক্ষা কৰিব। পথ খণ্ডৰ বিকাশৰ বাবে বিশ্বৰ সফল কাৰ্য ব্যৱস্থা আৰু উদ্ভাৱণসমূহ প্ৰয়োগ কৰিবলৈ শ্ৰীগাডকাৰীয়ে বিষয়া, বিশেষজ্ঞ আৰু ঠিকাদাৰসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ দিৱস উপলক্ষে আজি আৰু কাইলৈ গুৱাহাটীৰ পাঞ্জাবাৰীত থকা কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি দিনজোৰা লোকনৃত্য-গীতৰ বৰ্ণাঢ্য অনুষ্ঠান **বৰ্ণালী** আৰু সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত হ'ব। কাইলৈ সন্ধিয়া চাৰে পাঁচ বজাত ধ্ৰুপদী নৃত্য সংৰচনা **নৃত্যৰংগ**ৰ লগতে ছয় বজাত পুৰণি দিনৰ গীতৰ সোঁৱৰণ আৰু প্ৰিয় শিল্পীৰ সৈতে কথোপকথনৰ অনুষ্ঠান সোণালী সুদিন অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ দিৱস উপলক্ষে এই দুয়োদিনৰ কাৰ্যসূচীতে উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

০০০০০০০

যোৰহাটত কালি জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে ৰূপায়ন কৰা জলজীৱন আঁচনিখনৰ কাৰ্যকাৰিতা নিৰীক্ষণ কৰিবলৈ মাদ্ৰাছ আই আই টিৰ দুজনীয়া বিশেষজ্ঞৰ এটা দল জিলাখনলৈ আহে। দলটোৱে জিলাখনৰ যোৰহাট সংমণ্ডলৰ বহতীয়া পানী যোগান প্ৰকল্প, ১৬২ নম্বৰ জালুকনি পানী যোগান প্ৰকল্প, ম'হবন্ধা পানী যোগান প্ৰকল্প, উদয়পুৰ, ৰজাবাৰী চাংমাই, জগদুৱাৰ, শিঙৰীজান চাহ বাগিচা, চুণ্ডী চাহ বাগিচাকে আদি কৰি মুঠ ৮টা প্ৰকল্পৰ ক্ষেত্ৰভিত্তিক নিৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰে।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ষষ্ঠ পূজা উপলক্ষে আজি ৮খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কাটিহাৰৰ পৰা মুজাফৰপুৰ, কাটিহাৰৰ পৰা দাওৰাম মাধপুৰা, কাটিহাৰৰ পৰা আনন্দবিহাৰ আৰু কাটিহাৰৰ পৰা মণিহাৰীলৈ চাৰিখন ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে নিউ জলপাইগুৰিৰ পৰা পাটনালৈ, ফৰবেছগঞ্জৰ পৰা আগ্ৰালৈ, ডিব্ৰুগড়ৰ পৰা কলকাতা টাৰ্মিনেললৈ আৰু নাহৰলাগুনৰ পৰা হাপালৈ আন চাৰিখন ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০০

ভাৰতে যোৱানিশা ডাৰবানৰ কিংছমিডত অনুষ্ঠিত চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ৬১ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৫০টা বলত ১০৭ ৰান কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২০৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

**সমাপ্ত**